অসম

উচ্ছেদৰ নামতো ছিণ্ডিকেট চলিছে: হিমন্ত বিশ্ব শর্মা আৰু আজমলক তীব্ৰ আক্ৰমণ ৰকিবুল হুছেইনৰ

ৰাজ্যত চলি থকা উচ্ছেদক লৈ ছিণ্ডিকেট চলাৰ অভিযোগ তুলি মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা আৰু এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলক তীব্ৰ আক্ৰমণ কৰিলে সাংসদ ৰকিবুল হুছেইনে।

প্ৰকাশ: ২২ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬



syndicate behind Assam evictions

২২ নম্বেবৰ, ২০২৬

ৰাজ্যত উচ্ছেদৰ নামতো ছিণ্ডিকেট চলি আছে। মুখ্যমন্ত্রীয়ে উচ্ছেদ চলায় আৰু তাৰ পাছত আজমলে স্মাৰক-পত্র প্রদান কৰিবলৈ আহে ।

ৰাজ্যত অব্যাহত থকা উচ্ছেদ অভিযানক লৈ মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মা আৰু এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলক তীব্ৰ আক্ৰমণ কৰিছে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে। ৰাজ্যখনত এতিয়া উচ্ছেদৰ নামতো ছিণ্ডিকেট চলি আছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে জ্যেষ্ঠ কংগ্রেছ সাংসদগৰাকীয়ে।

ৰকিবুল হুছেইনে অভিযোগ কৰা অনুসৰি মুখ্যমন্ত্রীয়ে উচ্ছেদ চলায় আৰু তাৰ পাছত আজমলে স্মাৰক-পত্র প্রদান কৰি ৰাজনীতি কৰিবলৈ ওলাই আহে। স্মাৰক-পত্রত থকা প্রকৃত বিষয়সমূহ উত্থাপন কৰাৰ পৰিৱর্তে আজমলে গৌৰৱ গগৈ আৰু তেওঁকহে গালি-গালাজ পাৰে বুলি উল্লেখ কৰি সাংসদগৰাকীয়ে কয় যে মুখ্যমন্ত্রীয়ে

যি শিকাই দিয়ে, সংবাদ মাধ্যমৰ আগত আজমলে ঠিক সেই কথাই কয়। আজমলৰ ব্যৱসায়-বাণিজ্যৰ সুৰক্ষা আৰু মুখ্যমন্ত্রীৰ সৈতে থকা গোপন বুজাবুজিৰ বাবেই শেহতীয়া লোকসভা নিৰ্বাচনত ৰাইজে তেওঁক ১০ লাখৰো অধিক ভোটৰ ব্যৱধানত পৰাস্ত কৰিলে বুলিও হুছেইনে কটাক্ষ কৰে।

ধুবুৰীত উচ্ছেদৰ সন্মুখীন হোৱা লোকসকলৰ ভূমিৰ অধিকাৰক লৈ প্রশ্ন তুলি ৰকিবুল হুছেইনে কয় যে আজমলে একেৰাহে ১৫ বছৰ ধৰি ধুবুৰীৰ সাংসদ হিচাপে কার্যনির্বাহ কৰাৰ লগতে উচ্ছেদ হোৱা সমষ্টিবোৰত দলটোৰ বিধায়ক থকা সত্ত্বেও স্থানীয় লোকসকলৰ দখলীকৃত চৰকাৰী মাটিৰ ম্যাদীকৰণৰ বাবে চৰকাৰৰ ওচৰত কোনো আবেদন দাখিল নকৰিলে।

ইয়াৰ বিপৰীতে নিজৰ বিধায়ককালৰ অভিজ্ঞতা উল্লেখ কৰি সাংসদগৰাকীয়ে কয় যে তেওঁ ২০০১ চনৰ পৰা চামগুৰিৰ বিধায়ক হৈ থকা সময়ত স্বয়ং মুখ্য সচিবক তালৈ লৈ গৈ বহু বছৰ ধৰি বসবাস কৰি থকা লোকসকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিছিল। এজন নির্বাচিত প্রতিনিধিৰ প্রধান দায়িত্ব হৈছে সমষ্টিবাসীৰ সমস্যা সমাধানৰ বাবে চৰকাৰৰ ওচৰত সজোৰে দাবী উত্থাপন কৰা বুলি তেওঁ সোঁৰৰাই দিয়ে।

পূর্বৰ মুখ্যমন্ত্রীসকলৰ কার্যকালৰ প্রসংগ টানি ৰকিবুল হুছেইনে অভিযোগ কৰে যে প্রয়াত হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্রী হৈ থকাৰ সময়ত যমুনামুখত চিকিৎসালয়ৰ নামত চৰকাৰী মাটি আজমলে হস্তগত কৰিছিল। একেদৰে প্রফুল্ল কুমাৰ মহন্ত মুখ্যমন্ত্রী হৈ থকা সময়তো গুৱাহাটীত এটা সংগঠনৰ নামত মাটি লৈ পাছলৈ নিজৰ আত্মীয়ৰ নামলৈ হস্তান্তৰ কৰা বুলি তেওঁ দাবী কৰে।

ইফালে ভূমি উপদেষ্টা সমিতিৰ নিয়ম উলংঘা কৰি আদানীসহ অন্যান্য উদ্যোগিক প্রতিষ্ঠানক মাটি আৱণ্টন দিয়াৰ চেষ্টা চলোৱা হৈছে বুলিও অভিযোগ কৰে হুছেইনে। লেণ্ড এডভাইজৰী কমিটীৰ বৈঠকত ভূমি আৱণ্টনৰ প্রস্তাৱসমূহ আগতীয়াকৈ সদস্যসকলক জনোৱা আৰু বৈঠকৰ প্রচিডিং প্রদান কৰাৰ নিয়ম চৰকাৰে মানি চলা নাই বুলি তেওঁ ক্ষোভ প্রকাশ কৰে। ভৱিষ্যতে কংগ্রেছ চৰকাৰ ক্ষমতালৈ আহিলে জাতি-ধর্ম নির্বিশেষে প্রকৃত ভূমিহীন লোকসকলৰ সমস্যা সমাধানৰ দায়িত্ব লৈ মাটি প্রদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে নিয়ম বহির্ভূতভাৱে মাটি দিয়া এনে সকলো ঘটনাৰ তদন্ত কৰি প্রয়োজন সাপেক্ষে উচ্ছেদ চলোৱা হ'ব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5337/rakibul-hussain-slams-himanta-biswa-sarma-badruddin-ajmal